# ডিগবৈ মহাবিদ্যালয়

ESTD 1965

ডিগবৈ-৭৮৬১৭১

প্ৰতি,

মাননীয় অধ্যক্ষ / অধ্যক্ষা

..........................................................................

..........................................................................

**বিষয় ঃ সদৌ অসম আন্তঃ মহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা, ২০১৭**

মহাশয় / মহাশয়া,

জয় জয়তে ডিগবৈ মহাবিদ্যালয় পৰিয়ালৰ হৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয় উজনি অসমৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰনী শিক্ষানুষ্ঠান। সমাজ জীৱনক উচ্চ শিক্ষাৰ বন্তিৰে উজলাই তোলাৰ সংকল্প লৈ ডিগবৈত গঢ়ি উঠা মহাবিদ্যালয়খনে ইতিমধ্যে সোণালী বৰ্ষ অতিক্ৰম কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ ভিতৰত এখনি উল্লেখযোগ্য মহাবিদ্যালয় হিচাপে পৰিগনিত হৈছে। পৰ্যাপ্ত সুবিধা প্ৰদানেৰে মহাবিদ্যালয়খনে জন্মলগ্নৰে পৰা প্ৰজ্ঞাসাধনাৰ সৌধ নিৰ্মাণৰ এক বিনম্ৰ প্ৰয়াস কৰাৰ লগতে এক সুস্থ শৈক্ষিক আৰু সাংস্কৃতিক বাতাবৰণ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ কলা-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰো নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে।

আমাৰ নৱপ্ৰজন্মক সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰাৰ লগতে ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি ডিগবৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা অহা ইংৰাজী ২২ আৰু ২৩ জানুৱাৰী, ২০১৭ তাৰিখে এখনি সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

উক্ত প্ৰতিযোগিতাখনিত আপোনালোকৰ শিক্ষানুষ্ঠানৰ সক্ৰিয় অংশগ্ৰহণ তথা সহযোগিতা আশা কৰি এই নিমন্ত্ৰণী পত্ৰ আগবঢ়ালো। আশা কৰো আপোনালোকৰ সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শই প্ৰস্তাৱিত প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তুলিব।

প্ৰতিযোগীসকলৰ সুবিধাৰ্থে প্ৰতিযোগিতাৰ নিয়মাৱলী লগত গাঁঠি দিয়া হ'ল।

পুনৰ শ্ৰদ্ধাৰে -

*ড° দীপ শইকীয়া*

অধ্যক্ষ ও সভাপতি

*সদৌ অসম আন্তঃমহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আয়োজক সমিতি*

*ডিগবৈ মহাবিদ্যালয়, ডিগবৈ*